# কাৰ্যবাহী সাৰাংশ

**(ক) পৰিচয় ঃ**

এই প্ৰতিবেদনৰ দ্বাৰা অসম মালাৰ অধীনত 'ৰাজ্যিক ঘাইপথ' (SH) আৰু 'মুখ্য জিলা পথ'ৰ (MDR) উন্নয়নৰ অধীনত (A 07) সৰ্থেবাৰী ৰামপুৰ পাঠশালা পথৰ বাবে কৰা 'পৰিৱেশগত প্ৰভাৱ মূল্যায়ন' (EIA)ৰ অধ্যয়নৰ ফলাফল আৰু ফলাফলৰ সাৰাংশ উল্লেখ কৰা হৈছে। প্ৰতিবেদনখনত প্ৰকল্পৰ ক্ষেত্ৰত বিদ্যমান পাৰিপাৰ্শ্বিক পৰিস্থিতি প্ৰত্যাশিত পাৰিপাৰ্শ্বিক আৰু সামাজিক প্ৰভাৱ আৰু সংশ্লিষ্ট প্ৰশমন ব্যৱস্থা, ৰাজহুৱা পৰামৰ্শ প্ৰক্ৰিয়া, পৰিৱেশ আৰু সামাজিক ব্যৱস্থাপনা পৰিকল্পনা (ESMP) আৰু ইয়াৰ নিৰীক্ষণৰ পৰিকল্পনা বৰ্ণনা কৰা হৈছে।

দক্ষিণ-পূৱ এছিয়াৰ দেশসমূহ সমতুল্য কৰাৰ বাবে অহা পোন্ধৰ বছৰত 'ৰাজ্যিক ঘাইপথ' (SH) আৰু 'মুখ্য জিলা পথ' (MDR) নেটৱৰ্ক উন্নত কৰাৰ বাবে এই কাৰ্যসূচীৰ পৰিকল্পনা কৰা হৈছে। যাৰ জৰিয়তে এই কাৰ্যসূচীয়ে অৰ্থিনৈতিক বিকাশত ইন্ধন যোগায়, লগতে ৰাষ্ট্ৰীয় ঘাইপথ আৰু গ্ৰাম্যপথ নেটৱৰ্কৰ মাজত উন্নত মানদণ্ডৰ আন্তঃসংযোগ পথ প্ৰদান কৰাৰ লগতে বাধাহীন বহুমুখী পৰিবহনৰ সুবিধা প্ৰদান কৰা হৈছে। প্ৰস্তাৱিত প্ৰকল্পটিত ১২৬৮ কিলোমিটাৰ (1268 KM)ৰ ৰাজ্যিক ঘাইপথ আৰু মুখ্য জিলা পথৰ পুৰ্নবাসন আৰু উন্নতিকৰণৰ দ্বাৰা অসমত পৰিবহন সংযোগ উন্নত কৰাৰ বাবে প্ৰস্তুত কৰা হৈছে, যাৰ ভিতৰত এ এছ আৰ আই পিৰ (ASRIP) অধীনত ২৪৫.৭ কিলোমিটাৰৰ দৈৰ্ঘ্যৰ ৮ টা প্ৰকল্প পথ কৰিডৰৰ প্ৰস্তাৱ দিয়া হৈছে। অসম চৰকাৰে অসম মালা কাৰ্যসূচীৰ অধীনত ৰূপায়ণ কৰা বৰপেটা আৰু বজালী জিলাত ১৭.৬৬৩ কিলোমিটাৰ (প্ৰায়) উন্নতি আৰু উন্নতিকৰণৰ বাবে প্ৰকল্প পথটো প্ৰস্তাৱ কৰা হৈছে।

এই পৰিৱেশগত প্ৰভাৱ মূল্যায়নে (EIA) পৰিকল্পনা প্ৰস্তুত কৰাৰ বাবে এছিয়ান ইনফ্ৰষ্ট্ৰাকচাৰ ইনভেষ্টমেণ্ট বেঙ্কে বিত্তীয় যোগানৰ দ্বাৰা এ আই আই বিৰ পৰিৱেশ আৰু সামাজিত নীতি আৰু পৰিৱেশ আৰু সামাজিক মানদণ্ড (ই.এছ. এ.) অনুসৰণ কৰিব।

**(খ) উপ-প্ৰকল্প বিৱৰণ ঃ**

এই প্ৰকল্পৰ পথটো সৰ্থেবাৰীৰ (২৬°২'২৬.৪৭" উ ৯২°১৩'২৭.৮৮" পূ) আৰম্ভ হয় আৰু পাঠশালা ৰাষ্ট্ৰীয় ঘাইপথ - ২৭ (NH-27) ৰায়পুৰ গাঁৱত (২৬°৩০'১৫.০৫" উ ৯১°১২'২৩.৬৮" পূ)ত সমাপ্ত হয়। প্ৰকল্পটো সৰ্থেবাৰী, গোমুৰা, বাটিয়া লংকেপাৰাকুচি, পাৰাকুচি, ৰামপুৰ, বনগাঁও, বাগানা, তাপত্তৰী মালিপাৰা, ৰায়পুৰ আৰু ধৰ্মতলা, বসতিৰ মাজেৰে পাৰ হৈ গৈছে। ৰাস্তাটোৰ কেৰেজৱে প্ৰস্থ একক লেনৰ (৩.৭৫ মিটাৰ) পৰা ইণ্টৰমিডিয়েট লেনলৈ (৫.৫ মিটাৰ) আৰু প্ৰায় ১.০ মিটাৰৰ পৰা ২.৪ মিটাৰ কান্ধৰ সৈতে পৃথক হয়। প্ৰকল্প পথটোৰ গোটেই অংশটো অতি দুৰ্বল লগতে সাধাৰণ ভূ-খণ্ডত আছে। প্ৰকল্পৰ ক্ষেত্ৰত যিখিনি মূল ভূ-খণ্ড আৱৰি লৈছে সেই ভূমি মূলত পথৰ লগত কৃষি উৎপাদনশীলতাৰ ক্ষেত্ৰত উৰ্বৰতাপূৰ্ণ।

(গ) <u>প্ৰকল্পৰ শ্ৰেণীবিভাজন</u> ঃ

বেংকৰ পৰিৱেশ আৰু সামাজিক নীতি (ESP) লগতে পৰিৱেশ আৰু সামাজিক মানদণ্ড (ESS) অনুসৰি প্ৰকল্পটোক বি (B) শ্ৰেণী হিচাপে শ্ৰেণীবদ্ধ কৰা হৈছে। ইয়াৰ সীমিত সংখ্যক সম্ভাৰ্য্য প্ৰতিকূল ই এণ্ড এছ (E&S) প্ৰভাৱ থকাৰ সম্ভাৱনা আছে আৰু যদি প্ৰভাৱবোৰ অভূতপূৰ্ণ নহয়, যদি সেইবোৰৰ যিকোনো এটা অপৰিৱৰ্তনীয় বা সংগ্ৰহযোগ্য হয় তেনেহ'লে ইয়াৰ কম 'বি' শ্ৰেণীৰ প্ৰকল্পৰ বাবে এ. আই আই বি ই এছ. পি (AIIB ESP) অনুসৰি পৰিৱেশ আৰু সামাজিক প্ৰভাৱ মূল্যায়ন (ই.এছ.আই.এ) (ESIA) আৰু পৰিৱেশ আৰু সামাজিক ব্যৱস্থাপনা আঁচনিৰ (ই.এছ.এম.পি) প্ৰয়োজন। অৱশ্যে এই ক্ষেত্ৰত এক পৃথক সামাজিক প্ৰভাৱ মূল্যায়নৰ (এছ. এই. এ SIA) প্ৰস্তুত কৰাৰ পিছত এক পৰিৱেশগত প্ৰভাৱ মূল্যায়ন (ই আই এ EIA) প্ৰতিবেদন আৰু সামাজিক ব্যৱস্থাপনা আঁচনি (ই.এছ.এম.পি) প্ৰস্তুত কৰা হৈছে।

ই.আই.এ (EIA) প্ৰতিবেদনে প্ৰকল্পটোৰ সম্ভাৰ্য্য নেতিবাচক আৰু ইতিবাচক পাৰিপাৰ্শ্বিক প্ৰভাৱবোৰ পৰীক্ষা কৰিব তাৰ লগতে প্ৰতিকূল প্ৰভাৱ পৰিহাৰ হ্ৰাস বা ক্ষতিপূৰণ আৰু প্ৰকল্পটোৰ পাৰিপাৰ্শ্বিক প্ৰদৰ্শন উন্নত কৰাৰ বাবে প্ৰয়োজনীয় যিকোনো ব্যৱস্থাৰ পৰামৰ্শ দিব।

(ঘ) <u>সাম্ভাৰ্য্য পাৰিপাৰ্শ্বিক আৰু সামাজিক প্ৰভাৱ আৰু প্ৰশমন ব্যৱস্থা</u> ঃ

এই প্ৰস্তাৱিত প্ৰকল্পাটোৱে এ ০৭ (A 07) পথৰ উন্নত অৱস্থাৰ বাবে আৰ্থসামাজিক লাভালাভৰ সৃষ্টি কৰিব। প্ৰাথমিক অৰ্থনৈতিক লাভালাভবোৰ হৈছে ভ্ৰমণৰ সময় হ্ৰাস আৰু পৰিবহন সম্পৰ্কীয় লেনদেন ব্যয় হ্ৰাস। ইয়াৰ ফলত বহনক্ষম উন্নয়ন, অৰ্থনৈতিক বিকাশ, ৰাষ্ট্ৰীয় সুৰক্ষাৰ লগতে স্থানীয় জনসংখ্যাৰ জীৱন ধাৰণাৰ মাণদণ্ড আৰু জীৱিকাৰ উন্নতি হ'ব আৰু প্ৰকল্পটোৱে বিশেষকৈ ইয়াৰ নিৰ্মাণৰ সময়ত নিযুক্তি সৃষ্টি কৰিব।

প্ৰস্তাৱিত প্ৰকল্পটোৰ সম্ভাৰ্য্য নেতিবাচক প্ৰভাৱবোৰৰ ভিতৰত আছে ভূমি অধিগ্ৰহণ গছ কৰ্তন,খননৰ ফলত হোৱা মাটিৰ খহনীয়া, নিৰ্মাণ ক্ষেত্ৰৰ পৰা আৱৰ্জনা নিষ্কাশন ইন্ধন আৰু ৰাসায়নিক পদাৰ্থ দুৰ্ঘটনা ক্ৰমে লিকেজ, নিৰ্মাণ যন্ত্ৰ আৰু বাহনৰ দ্বাৰা উৎপন্ন হোৱা শব্দ, প্ৰদূষণ বা বায়ু প্ৰদূষণ, দলং আৰু কালভাৰ্ট নিৰ্মাণৰ সময়ত জান-জুৰি, খাল আদিত বাধা প্ৰদান স্থানীয় পথ আৰু আন্তঃগাঁথনিৰ ক্ষতি; বিশেষকৈ শিশু আৰু নিৰ্মাণ শ্ৰমিকৰ বাবে স্বাস্থ্য আৰু সুৰক্ষাৰ ক্ষতিকাৰক এই সকলোবোৰ উল্লেখনীয়।

এই প্ৰস্তাৱিত প্ৰকল্পটিৰ কাৰণে **২৫৪** (254) টা সম্পত্তিৰ (ব্যক্তিগত, ধৰ্মীয়, সম্প্ৰদায় আৰু চৰকাৰ) ক্ষতিসাধন হ'ব। প্ৰভাৱিত ব্যক্তিগত সম্পত্তি হৈছে ১৯৩ টা, এই ব্যক্তিগত সম্পত্তিৰ ভিতৰত ৬৮ টা বাণিজ্যিক, ৫৩ টা আৱাসিক, ৪ টা বাণিজ্যিক লগতে আৱাসিক আৰু ৬৪ টা অন্যান্য সম্পত্তি। প্ৰভাৱিত হ'ব লগা মুঠ পৰিয়ালৰ সংখ্যা হৈছে ২২৮টা।

তদুপৰি ২২ খন চৰকাৰী, ৩ টা সম্প্ৰদায়িক ৩৬ টা ধৰ্মীয় সম্পত্তিৰ ক্ষতিগ্ৰস্ত হ'ব। প্ৰায় ৬৯ শতাংশ গাঁথনি সম্পূৰ্ণৰূপে প্ৰভাৱিত হয়। মুঠ গাঁথনিৰ ভিতৰত, প্ৰস্তাৱিত আৰ ও ডাবলিও (ROW)ৰ ভিতৰত সামাজিক জৰীপৰ সময়ত গণনা কৰা বেছিভাগ গাঁথনিৰ স্থায়ী (২৯ শতাংশ) আৰু অস্থায়ী (২৫

শতাংশ), অৰ্ধস্থায়ী (১৩ শতাংশ) আৰু ৩৩ শতাংশ অন্যান্য গাঁথনি যেনে সীমা বেৰ বা জীৱ-জন্তুৰ বাসস্থান। এই প্ৰকল্প পথটোৰ বাবে অধিগ্ৰহণ বা স্থানান্তৰ কৰিব লগা মুঠ ব্যক্তিগত ভূমি হৈছে প্ৰায় ২০.৬৫ হেক্টৰ।

এই প্ৰকল্পটোৱে ১৮খন গাঁৱক প্ৰভাৱিত কৰিব। বৰপেটা আৰু বজালী জিলাৰ অধিকাৰৰ ক্ষেত্ৰত পৰিব যিবোৰ ৬ জনগোষ্ঠীয় জনজাতিৰ এলেকা বা জিলাৰ অধীনত অহা নাই। কোনো থলুৱা লোকৰ মৰ্যাদা, মানৱ অধিকাৰ, জীৱিকা প্ৰণালী বা অঞ্চল বা প্ৰাকৃতিক বা সাংস্কৃতিক সম্পদৰ ওপৰত প্ৰত্যক্ষ বা পৰোক্ষভাৱে প্ৰভাৱ নপৰিব। অনুসূচীত জনসংখ্যাৰ ২টা প্ৰভাৱিত পৰিয়াল পূৰ্ণসংস্থাপনৰ প্ৰয়োজন হ'ব। প্ৰকল্পটোৰ এলেকাটো নিৰ্ধাৰিত এলেকা বা আই.টি.ডি.পি (ITDP) এলেকাত নপৰে আৰু জনজাতীয় গোটবোৰৰ উপস্থিতি থকা নথিপত্ৰ নাই। সেয়েহে এই প্ৰকল্পটোৰ বাবে খিলঞ্জীয়া লোক পৰিকল্পনাৰ প্ৰয়োজনীয়তা মূল্যায়ন কৰা নহয়।

প্ৰকল্প পথৰ সঞ্চালন আৰু তত্ত্বাৱধানৰ সৈতে সম্পৰ্কীত সম্ভাব্য প্ৰভাৱবোৰৰ ভিতৰত আছে যান-বাহনৰ যাতায়তৰ ফলত হোৱা শব্দ আৰু বায়ু প্ৰদূষণ, স্থানীয় জনসংখ্যাৰ লগতে সঞ্চালন আৰু তত্ত্বাৱধানত কৰ্মীসকলৰ বিপদাশংকা। প্ৰস্তাৱিত প্ৰকল্পটোৰ চিনাক্ত কৰা সম্ভাব্য প্ৰভাৱবোৰ সমাধান কৰিবলৈ উপযুক্ত প্ৰশমন ব্যৱস্থা চিনাক্ত কৰা হৈছে।

**(ঙ) <u>ৰাজহুৱা পৰামৰ্শ আৰু তথ্য প্ৰকাশ</u> ঃ**

প্ৰকল্পৰ পৰিকল্পনাত স্থানীয় বাসিন্দাসকলক অন্তৰ্ভুক্ত কৰাটো এক গ্ৰহণমূলক পৰিকল্পনাৰ আধাৰ বুলি বিবেচনা কৰি প্ৰকল্পটোৰ বিভিন্ন পৰ্যায়ত বিভিন্ন স্তৰত অংশীদাৰসকলৰ পৰামৰ্শ লোৱা হৈছে। জনসাধাৰণে দিয়া পৰামৰ্শ আৰু বিকল্পবোৰে প্ৰকল্পটোৰ কাৰিকৰী আৰু অৰ্থনৈতিক দক্ষতা উন্নত কৰে আৰু জনসাধাৰণৰ উন্নতিৰ প্ৰস্তাৱৰ পৰামৰ্শ দিয়ে লগতে সম্প্ৰাদায়বোৰৰ ভিতৰত মালিকীস্বত্বৰ অনুভূতি সৃষ্টি কৰে আৰু এনেদৰে ৰূপায়ন প্ৰক্ৰিয়া সহজ কৰে। প্ৰকল্পটিৰ বাবে অংশীদাৰসকলৰ পৰামৰ্শ লোৱা হৈছে য'ত এটাৰ পৰা আনটো সাক্ষাৎকাৰ, গোট আলোচনা আদিবোৰৰ পৰামৰ্শৰ সভা অন্তৰ্ভুক্ত আছিল। অংশীদাৰসকলৰ পৰামৰ্শ প্ৰকল্পৰ নক্সাৰ আগতে আৰু প্ৰকল্পৰ নক্সাৰ পিছত কৰা হৈছিল। প্ৰাক ডিজাইন পৰামৰ্শৰ সময়ত প্ৰাপ্ত পৰামৰ্শবোৰ প্ৰকল্পৰ ডিজাইনত বিবেচনা হৈছিল। ডিজাইনৰ পিছত পৰামৰ্শৰ সময়ত প্ৰাপ্ত পৰামৰ্শৰ ওপৰত আধাৰিত কৰি ডিজাইনবোৰ অধিক সংশোধন কৰা হৈছিল। ৰাজহুৱা অংশীদাৰসকলৰ পৰামৰ্শ ১৩ টা স্থানত অনুষ্ঠিত কৰা হৈছিল — সৰ্থেবাৰী, ক্ষুদ্ৰ গোমাৰা, পাৰকুচি পাম, বনগাঁও, বাগানা, তাপত্তৰী, মালিপাৰা, ডুবি, ৰায়পুৰ, বামুণকুচি আৰু ধৰ্মতলা। মুঠ অংশগ্ৰহণকাৰী ১১০ জন যাৰ ভিতৰত ৯০ জন পুৰুষ আৰু ২০ গৰাকী মহিলা আছিল এই সকলোবিলাক হৈছিল ২০২০ চনৰ জুন অক্টোবৰ আৰু নৱেম্বৰত। গুৰুত্বপূৰ্ণ সমস্যাটো আছিল গছ কটা আৰু সেইবোৰৰ ক্ষতিপূৰণ, ধূলি নিৰ্গমণ নিয়ন্ত্ৰণ। সুৰক্ষা, সমস্যা আৰু ৰাজহুৱা পৰামৰ্শৰ পথ উন্নয়ন প্ৰস্তাৱৰ বিৱৰণ অধ্যায় ৮ আৰু পৰিশিষ্ট ১৭ ত দিয়া হৈছে।

**<u>ওপৰত উল্লেখিত বিষয়ৰ মুখ্য বিষয় ঃ</u>**

প্ৰাকৃতিক বিপদ (বান/ভূমিকম্প/খৰাং) পথৰ দুৰ্বৰতাৰ বাবে ধূলিৰ সৃষ্টি, গছকটা সমস্যা; বায়ু/পানী/শব্দ প্ৰদূষণ, পথ দুৰ্ঘটনা আৰু পথ সুৰক্ষাৰ উন্নতি, বন্য হত্যা, পথৰ দাঁতি কাষৰীয়া অঞ্চলত

থকা প্ৰাচীন স্মাৰকবোৰ ধূলিস্থিত হোৱা।

**তথ্য প্ৰচাৰ**

- পৰামৰ্শদাতাই প্ৰস্তাৱিত উন্নতিৰ বিষয়ে এজনৰ পৰা আনজনৰ দ্বাৰা তথ্য প্ৰচাৰ চলাইছে।
- সম্ভাব্য প্ৰকল্প প্ৰভাৱিত পৰিয়ালবোৰত গছ কটা আৰু সেই সকলোবোৰক অন্য এক স্থানলৈ স্থানান্তৰ কৰাৰ পৰামৰ্শ তেওঁলোকৰ পৰা লোৱা হৈছিল।
- তথ্য প্ৰচাৰ আৰু ৰাইজৰ পৰা মতামত/ পৰামৰ্শ সংগ্ৰহৰ বাবে প্ৰকল্পৰ কৰিডৰৰ কাষৰ মূল মূল অংশৰ পৰা পৰামৰ্শ লোৱা হৈছিল।
- সংশ্লিষ্ট গাঁওবোৰত প্ৰস্তাৱিত উন্নতি আৰু সাম্ভাব্য পাৰিপাৰ্শ্বিক আৰু সামাজিক প্ৰভাৱবোৰৰ ব্যাখ্যা কৰিবলৈ চিত্ৰপদ্ধাতি গ্ৰহণ কৰা হৈছিল।

**(চ) প্ৰতিষ্ঠানগত ব্যৱস্থা ঃ**

অসম চৰকাৰৰ গড়কাপ্তানি বিভাগ (পথ) (PWRD) কাৰ্যকৰী সংস্থা হ'ব। মুখ্য অভিযন্তা (EAP) ৰাজ্যিক পৰ্যায়ৰ প্ৰকল্প ব্যৱস্থাপনা গোটৰ (PMU) প্ৰকল্প সঞ্চালক (PD)। মুখ্য অভিযন্তাক (EAP) এজন কাৰ্যকৰী অভিযন্তাই (EE) অসম মালা কাৰ্যসূচীৰ নোডেল বিষয়া হিচাপে সহায় কৰিব। প্ৰকল্প ব্যৱস্থাপনা গোট (PMU) বিভাগে প্ৰকল্পটোৰ সামগ্ৰিক কাৰ্যকৰীকৰণ কাৰিকৰী তত্ত্বাৱধান আৰু নিৰীক্ষণ তদাৰক কৰিব। কাৰ্যকৰী অভিযন্তাক (EE) সহকাৰী অভিযন্তা (AE), কনিষ্ঠ অভিযন্তা (JE) আৰু কাৰ্যসূচী সমন্বয় আৰু ব্যৱস্থাপনা পৰামৰ্শ (PCMC/CSC/AE) ৰ দ্বাৰা সমৰ্থন কৰা হ'ব। প্ৰতিষ্ঠানগত ব্যৱস্থা আৰু ক্ষমতা নিৰ্মাণ অধ্যায় ৭ (Chaper - 7) শাখা জি-ত (Section - G) দিয়া হৈছে। গড়কাপ্তানি বিভাগ (পথ)ৰ বিষয়াসকলক পৰিৱেশ আৰু সামাজিক সুৰক্ষাৰ প্ৰয়োজনীয়তা কাৰ্যকৰীভাৱে ৰূপায়ন কৰিবলৈ সক্ষম কৰাৰ বাবে পৰিৱেশ আৰু সামাজিক সজাগত, নিৰ্মাণ পদ্ধতি, আইনীঅনুপালনৰ প্ৰয়োজনীয়তা, এ এছ এমপিৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ ভূমিকা আৰু দায়িত্ব উন্নত কৰাৰ বাবে গড়কাপ্তানি বিভাগ (পথ) পৰিৱেশ আৰু সামাজিক সুৰক্ষা বিশেষজ্ঞসকলৰ বাবে এক প্ৰশিক্ষণ কাৰ্যসূচী পৰিচালনা কৰা হ'ব।

**(ছ) পৰিৱেশ আৰু সামাজিক ব্যৱস্থাপনা পৰিকল্পনা ঃ**

পাৰিপাৰ্শ্বিক আৰু সামাজিক ব্যৱস্থাপনা আঁচনিয়ে প্ৰকল্পটোৰ পাৰিপাৰ্শ্বিক প্ৰভাৱ পৰিহাৰ বা প্ৰসাৰ কৰাৰ বাবে দিয়া নিৰ্দেশনা আৰু ব্যৱস্থাবোৰৰ ৰূপায়ণ প্ৰক্ৰিয়া লোৱা হৈছে। ইয়াৰ ৰাজপথৰ কাষত পৰিৱেশৰ মানদণ্ড বৃদ্ধিৰ বাবে পৰামৰ্শ দিয়া ব্যৱস্থাপনাৰ ব্যৱস্থাত অন্তৰ্ভুক্ত আছে। প্ৰকল্পৰ অধীনত কৰা আনুষ্ঠানিক ব্যৱস্থাই প্ৰকল্পৰ লগতে ই এছ এম পিৰ ৰূপায়ণৰ ওপৰত চকু দিব আৰু প্ৰকল্পটোৰ বাবে বিভিন্ন আইনী সংহতি এই প্ৰতিবেদনৰ অধ্যায় ১০.৩ চমুকৈ উল্লেখ কৰা হৈছে। ৰাজপথৰ কাষৰ পৰিৱেশ সুৰক্ষাৰ বাবে পৰিহাৰ প্ৰশমন আৰু বৰ্ধিতকৰণ ব্যৱস্থাৰ বিষয়ে আলোচনা কৰা হৈছে। যদিও সামাজিক পাৰিপাৰ্শ্বিক প্ৰভাৱ, ইয়াৰ প্ৰশমন আৰু ব্যৱস্থাপনা ইএছএমপিৰ অত্যাৱশ্যকীয় উপাদান এই প্ৰতিবেদনত স্পষ্টতা আৰু প্ৰক্ৰিয়াগত প্ৰয়োজনীয়তাৰ উদ্দেশ্যৰ বাবে ইয়াক বাদ দিয়া হৈছে। সামাজিক পাৰিপাৰ্শ্বিক উপাদানবোৰ পৃথক খণ্ডত পৃথক লেনদেন কৰা হৈছে যেনে পুনৰ্সংস্থাপন কাৰ্য পৰিকল্পনা (আৰএপি)।

(অ) <u>পৰিৱেশ আৰু সামাজিক ব্যৱস্থাপনা পৰিকল্পনা (ই এছ এম পি) বাজেট</u> ঃ

পৰিৱেশ আৰু সামাজিক ব্যৱস্থাপনা পৰিকল্পনাত প্ৰস্তাৱিত প্ৰশমন ব্যৱস্থাসমূহ ঠিকাদাৰৰ দ্বাৰা কাৰ্যকৰী কৰা হ'ব। ঠিকাদাৰে হাতত ল'ব লগা কামবোৰৰ পৰিমাণ নিৰ্ধাৰণ কৰা হৈছে আৰু সংশ্লিষ্ট বি.ও.কিও (BOQ) সামগ্ৰী যেনে মাটিৰ খনন বা ভৰ্তি, ঢাল সুৰক্ষা, শব্দ প্ৰতিবন্ধকতা, পথ সুৰক্ষা বৈশিষ্ট্য, গছ ৰোপন। নিৰ্মাণৰ সময়ত পলিৱেষ্টনীৰ (Sitt Fencing) বাবে অস্থায়ী পৰিমাণৰ অন্তৰ্ভুক্ত কৰা হৈছে যি ঠিকাদাৰৰ কামৰ পদ্ধতি আৰু স্থানৰ ওপৰত নিৰ্ভৰ কৰিব।

প্ৰকল্প পথটোৰ বাবে পৰিৱেশ ব্যৱস্থাপনাৰ ব্যয় হৈছে ১.০২ কোটি টকা আৰু ইয়াৰ বিৱৰণ তালিকা ৯.৫ আৰু ৯.৬ ত উপস্থাপন কৰা হৈছে।

(আ) <u>সাংগঠনিক পৰিকল্পনা</u> ঃ

প্ৰকল্প পথৰ বাবে পৰিৱেশ আৰু সামাজিক ব্যৱস্থাপনা পৰিকল্পনাই ইয়াৰ প্ৰকল্প নিৰীক্ষণ গোটৰ জৰিয়তে গড়কাপ্তানি বিভাগ (পথ) (ইএপি)ৰ দ্বাৰা কাৰ্যকৰী কৰা হয়। প্ৰকল্প ব্যৱস্থাপনা গোটত (PMU) গড়কাপ্তানি বিভাগ (পথ) (PWRD), অসম চৰকাৰ (GoA) আৰু অন্যান্য পৰিৱেশ অভিযন্তাসকলৰ বিষয়াসকল অন্তৰ্ভুক্ত থাকে। প্ৰকল্প ব্যৱস্থাপনা গোটে (PMU) ক্ষেত্ৰ পৰ্যায়ৰ কাৰ্যকৰী সংস্থা যেনে পি.চি.এম.চি/চিএছই/এই (PCMC/CSE/AE) আৰু ঠিকাদাৰৰ সৈতে সমন্বয় গঢ়িব। গুৰুত্বপূৰ্ণ বিষয়াসকলৰ ভূমিকা আৰু দায়বদ্ধতা এই প্ৰতিবেদনৰ অধ্যায় ১০ জিত (10 G) বিতংভাৱে বৰ্ণনা কৰা হৈছে।

(জ) <u>মন্তব্য আৰু পৰামৰ্শসমূহ</u> ঃ

প্ৰকল্প পথ নিৰ্মাণ কাৰ্যসূচী এনেদৰে ৰূপায়ণ কৰা হৈছে যাতে প্ৰভাৱিত হোৱা সকলোবোৰ উপাদান পৰিহাৰ, নিম্নতমকৰণ, ব্যৱস্থাপনাৰ বাবে সামগ্ৰিক চুক্তিবদ্ধ, ডিজাইন আৰু বাজেটীয় ব্যৱস্থা কৰা হয়। পৰিৱেশ আৰু সামাজিক সুৰক্ষা আঁচনিৰ অনুপালন নিশ্চিত কৰাৰ বাবে লগতে পৰিৱেশ আৰু সামাজিক ব্যৱস্থাপনাৰ অংশ হিচাপে এক কাৰ্যকৰী প্ৰণালীৱদ্ধ তত্বাৱধান আৰু নিৰীক্ষণ প্ৰণালী অন্তৰ্ভুক্ত কৰা হ'ব, পৰিৱেশ আৰু সামাজিকভাৱে বহনক্ষম ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে য'তেই প্ৰয়োজন হয় সংশোধনসমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব। প্ৰস্তাৱিত পথটো নিৰ্মাণ কৰিলে ভ্ৰমণৰ সময় হ্ৰাস হ'ব লগতে বাহনত ইন্ধন কমকৈ ব্যৱহাৰ হ'ব আৰু নিষ্কাষণ নিৰ্গমন হ্ৰাস হ'ব।